**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :10-04-2024**
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***
**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১।  ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপি, কংগ্ৰেছ তথা অন্যান্য ৰাজনৈতিক দলৰ নেতাসকলৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান।

২। অৰুণাচল প্ৰদেশ ভাৰতৰ অবিচ্ছেদ্য অংগ আৰু দেশৰ মাটিত অনাধিকাৰ প্ৰৱেশ কৰিলে সহ্য কৰা নহ'ব বুলি চীনৰ প্ৰতি সকিয়নী প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ।

৩। অসমত লোকসভা নিৰ্বাচনত অধিক ভোটদান নিশ্চিত কৰাৰ উদ্দেশ্যে আজি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ৪০ লাখ মহিলাৰ শপতগ্ৰহণ। ***আৰু***

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি এখন খেলত ৰাজস্থান ৰয়েলছ, গুজৰাট টাইটানছৰ সন্মুখীন ।

০০০০০০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ আজি টীয়ক বিধানসভা সমষ্টিৰ কল্যাণী খেলপথাৰত হ'বলগীয়া বিজয় সংকল্প সমাবেশত অংশগ্ৰহণ কৰিব।

ডিব্ৰুগড় লোসকভা সমষ্টিৰ নিৰ্বাচনৰ বাবে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হৈ প্ৰচাৰ চলাবলৈ কালি তিনিচুকীয়াত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ উপস্থিত হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে তিনিচুকীয়াৰ চলিহা নগৰৰ পৰা তিনিচুকীয়া থানা চাৰিআলিলৈকে এটা ৰোডশ্ব'ত অংশগ্ৰহণ কৰে। তেওঁৰ সৈতে এই ৰোড শ্ব'ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। ইয়াৰ উপৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকী মন্ত্ৰী, ৰাজ্যিক বিজেপিৰ বিষয়া আৰু ভালেসংখ্যক বিজেপি কৰ্মী এই ৰোড শ্ব'ত অংশ লয়।

কালি বিয়লি উত্তৰ লখিমপুৰৰ এখন জনসভাতো শ্ৰী শ্বাহে অংশগ্ৰহণ কৰে। লখিমপুৰ লোকসভা সমষ্টিৰ চুকুলীভৰীয়াত সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ সমৰ্থনত এখন জনসভাক সম্বোধন কৰি শ্ৰী শ্বাহে কয় যে, উত্তৰ পূৰ্বাঞ্চলে দেশৰ সফলতাৰ কাহিনী হিচাপে আত্মপ্ৰকাশ কৰিছে। বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৯ হাজাৰ ৫০০ ৰো অধিক উগ্ৰপন্থী সদস্য আত্মসমৰ্পণ কৰি সমাজৰ মূলসুঁতিলৈ উভতি আহিছে বুলি তেওঁ মন্তব্য কৰে। অঞ্চলটোৰ নিৰাপত্তা পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন উত্তৰ পূবৰ ৮০ শতাংশ এলেকাৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ভাৰতত সৰ্বাত্মক বিকাশ হোৱাৰ লগতে আইন শৃংখলা পৰিস্থিতি কটকটীয়া হৈছে।

এই সমষ্টিটোত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ আৰু আম আদমী পাৰ্টিৰ প্ৰাৰ্থী মনোজ ধানোৱাৰে প্ৰতিদ্বন্দ্বিতা কৰিব।

ইপিনে আম আদমী পাৰ্টিৰ নেত্ৰী আতিশীয়ে কালি মাৰ্ঘেৰিটাত এখন জনসভাত অংশ লয়। তেওঁ আজি তেজপুৰত দলীয় প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্যৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

কংগ্ৰেছ দলৰ যোৰহাট সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈয়েও কালি যোৰহাট লোকসভা সমষ্টিৰ ৬ খন নিৰ্বাচনী প্ৰচাৰ সভাত যোগদান কৰে। ইপিনে, সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ কালি মন্ত্ৰী অজন্তা নেওগে শিৱসাগৰত চাৰিখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

আনহাতে, ধুবুৰী লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰকিবুল হুছেইনে কালি বৰপেটা জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়। উল্লেখযোগ্য যে, সমষ্টি পুনৰনিৰ্ধাৰণ ফলত বৰপেটা জিলাৰ মন্দিয়া আৰু চেঙা বিধানসভা সমষ্টি ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত হৈছে।

ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত ভোটগ্ৰহণ হ'বলগীয়া ৫টা সংসদীয় সমষ্টিৰ বাবে মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

মাজুলীত কালি মন্ত্ৰী পীযুষ হাজৰিকাই বিজেপি মিত্ৰজোঁটৰ যোৰহাট সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। মন্ত্ৰীগৰাকীয়ে পূব মাজুলীৰ বনগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ খেলপথাৰত প্ৰথমখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই সভাত কংগ্ৰেছ দলৰ কেইবাগৰাকী কৰ্মীয়ে বিজেপিত যোগ দিয়ে। মন্ত্ৰীগৰাকীয়ে নামনি মাজুলীৰ চিলাকলা পঞ্চায়তৰ অন্তৰ্গত কাকৰীকটা গাঁৱত দ্বিতীয়খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কালি তিনিচুকীয়াত ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী সোণোৱালৰ হৈ প্ৰচাৰ চলায়।

শিৱসাগৰ জিলাৰ ৰাজীৱ ভৱনত কালি কংগ্ৰেছ দলে এখন সংবাদমেলৰ আয়োজন কৰি দলৰ গেৰাণ্টি কাৰ্ড আৰু ইস্তাহাৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। এই সংবাদমেলত দলৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন সিকদাৰে কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ গঠন হ'লে জাতিগত পিয়লৰ ক্ষেত্ৰত দলটোৱে ক্ষীপ্ৰতাৰে কাম কৰিব বুলি মত প্ৰকাশ কৰে।

মৰিয়নী সমষ্টিত যোৰহাট জিলা বিজেপিয়ে কালি মাণ্ডলিক মুখ্য নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰে।

ইপিনে, কোকৰাঝাৰ লোকসভা সমষ্টিৰ চিৰাং জিলাৰ বিজনীত কালি বিজেপি মিত্ৰজোঁটৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। এই অনুষ্ঠানত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকে।

ইফালে, নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে দুদিনীয়া কাৰ্যসূচীৰে অহা ১৬ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ অহাৰ কথা। আনহাতে, কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও অহা ১৭ এপ্ৰিলত যোৰহাটৰ কংগ্ৰেছ তথা সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ প্ৰচাৰ চলোৱাৰ কথা। তেওঁ ডিব্ৰুগড়ৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতিৰ গগৈৰ হৈও প্ৰচাৰ চলাব বুলি জানিব পৰা গৈছে।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অৰুণাচল প্ৰদেশৰ পূব সমষ্টিৰ বিজেপি প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলাবলৈ কালি নামচাইত উপস্থিত হৈ কয় যে অৰুণাচল ভাৰতৰ অবিচ্ছেদ্য অংগ। দেশৰ মাটিত অনাধিকাৰ প্ৰৱেশ কৰিলে সহ্য কৰা নহ'ব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চীনক কঠোৰ সকিয়নি দিয়ে। অৰুণাচল প্ৰদেশৰ ৩০ টা স্থানৰ নাম চীনে তেওঁলোকৰ ভাষাত নামাংকিত কৰা কাৰ্যত ক্ষোভ প্ৰকাশ কৰি তেওঁ কয় যে, এনেবোৰ কাৰ্যকলাপৰ পৰা প্ৰকৃত ছবিখন সলনি নহয়। চীনে যিদৰে অৰুণাচলৰ বিভিন্ন ঠাইৰ নাম সলনি কৰিছে অনুৰূপ কাম ভাৰতেও কৰিব পাৰে। ভাৰতৰ ভূ-ভাগত অনাধিকাৰ প্ৰৱেশ কৰিলে তাৰ সমুচিত উত্তৰ দিয়া হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ কয় যে, ভাৰতে চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে সদায়ে অনুকূল সম্পৰ্ক বজাই ৰাখিব বিচাৰে। ভাৰতৰ নীতি হৈছে চুবুৰীয়া দেশৰ সৈতে সহাৱস্থান কৰা। কিন্তু কোনোবাই দেশৰ নাগৰিকৰ আত্মসন্মানত আঘাত কৰিব খোজে তেন্তে তাৰ উত্তৰ দিবলৈ ভাৰত সদায় প্ৰস্তুত আৰু এই ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব। মন্ত্ৰীগৰাকীয়ে কয় যে, উত্তৰ-পূবৰ বাবে আৰম্ভ কৰা উন্নতি আঁচনিৰ অধীনত মুঠ ১০ হাজাৰ কোটি টকা বিনিয়োগ কৰা হৈছে আৰু ইয়াৰ ফলত অঞ্চলটোৰ যুৱকসকল উপকৃত হ'ব বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতৰ বিকাশৰ যি পৰিকল্পনা কৰিছে সেয়া কেৱল মুখৰ কথা নহয়, এয়া দায়িত্ব আৰু দায়বদ্ধতাৰ অংগীকাৰ বুলিও ৰাজনাথ সিঙে ভাষণ প্ৰসংগত ব্যক্ত কৰে।

০০০০০০০০০

ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰক সশস্ত্ৰ কামাণ্ডোৰ জেড কেটেগৰীৰ ভি আই পি নিৰাপত্তা আগবঢ়োৱা হৈছে। মুখ্য নিৰ্বাচনী আয়ুক্তগৰাকীৰ জীৱনলৈ ভাবুকিৰ আশংকাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চোৰাংচোৱা সংস্থা ইণ্টেলিজেন্স ব্যুৰোৱে প্ৰস্তুত কৰা ভাবুকিৰ সম্ভাৱনা এখন প্ৰতিবেদনত কুমাৰত শক্তিশালী নিৰাপত্তা দিয়াত অনুমোদন জনাইছে।

০০০০০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক বিধি বলৱৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰা সন্দৰ্ভত প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদন দিল্লী উচ্চ ন্যায়ালয়ে নাকচ কৰাৰ পাছত আপে উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনাব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী কেজৰিৱালৰ আবেদন নাকচ কৰি উচ্চ ন্যায়ালয়খনৰ ন্যায়াধীশ স্বৰ্ণকান্ত শৰ্মা আদলতে কয় যে, এই গ্ৰেপ্তাৰ সন্দৰ্ভত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ পদক্ষেপ অবৈধ নাছিল। উল্লেখযোগ্য যে যোৱা ২১ মাৰ্চত সঞ্চালকালয়ে দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰাৰ পাছত উচ্চ ন্যায়ালয়ে যোৱা এক এপ্ৰিলত কেজৰিৱালক ১৫ এপ্ৰিল পৰ্যন্ত ন্যায়িক জিম্মাত ৰখাৰ বাবে ৰায় দিছিল।

০০০০০০০০০

ৰাজ্যত লোকসভা নিৰ্বাচনত অধিক ভোটদান নিশ্চিত কৰাৰ উদ্দেশ্যে আজি বিভিন্ন প্ৰান্তৰ ৪০ লাখ মহিলাই শপত ল'ব। আকাশবাণীৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি জ্যেষ্ঠ নিৰ্বাচনী বিষয়াসকলে এই কথা প্ৰকাশ কৰে। তেওঁলোকে কয় যে, মহিলাসকলে নৈতিক ভোটদানৰ প্ৰসাৰত সহায় কৰিব। আমাৰ সংবাদদাতাই জনাইছে যে, ৰাজ্যখনত বৰ্তমানলৈকে ১২৭ কোটি টকাৰ সুৰা আৰু অন্যান্য সামগ্ৰী জব্দ কৰা হৈছে। বিষয়াসকলে প্ৰকাশ কৰা মতে, অনাধিকৃত সামগ্ৰীৰ সৰবৰাহ বন্ধ কৰা বাবে ৰাজ্যখনত ফ্লায়িং স্কোৱাদ

আৰু নিৰীক্ষণ দল নিয়োগ কৰা হৈছে। তেওঁলোকে লগতে কয় যে, ভোটগ্ৰহণৰ দিনা ভোটদাতাসকলক খোৱাপানীসহ সকলো ধৰণৰ বুনিয়াদী সা-সুবিধা প্ৰদান কৰা হ'ব আৰু অকল দিব্যাংগ বিষয়াই একাংশ ভোটগ্ৰহণ কেন্দ্ৰৰ পৰিচালনা কৰিব।

000000000

আসন্ন লোকসভা নিৰ্বাচনত ভোটাৰৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ লক্ষ্যৰে কামৰূপ জিলা প্ৰশাসনে এক অভিনৱ পদক্ষেপ গ্ৰহণ কৰিছে। ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণৰ প্ৰয়োজনীয়তা সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে পদ্ধতিগত ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কাৰ্যসূচীৰ অধীনত **মা-দেউতালৈ ভোটদানৰ আহ্বান** শীৰ্ষক এটা কাৰ্যসূচী হাতত লয়। ইয়াৰ অধীনত জিলাখনৰ অষ্টমৰ পৰা একাদশ শ্ৰেণীৰ ভালেমান ছাত্ৰ-ছাত্ৰীয়ে পোষ্টকাৰ্ড লিখা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হ'ল সমাগত লোকসভা নিৰ্বাচনত কামৰূপ জিলাত ১০০ শতাংশ ভোটদান নিশ্চিতকৰণ।

000000000

সমাগত লোকসভা নিৰ্বাচনৰ বাবে মৰিগাঁৱৰ পবিতৰা হাট প্ৰেক্ষাগৃহত কালি জিলাখনত স্থাপন কৰা ভোটগ্ৰহণ কেন্দ্ৰৰ বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলৰ সৈতে জিলা ধঁপাত নিয়ন্ত্ৰণ কোষ আৰু জিলা শিক্ষা বিভাগৰ উদ্যোগত এখন কৰ্মশালা অনুষ্ঠিত কৰা হয়। কৰ্মশালাত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া দেৱাশীষ শৰ্মাই ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলক কেন্দ্ৰসমূহত ধঁপাত মুক্ত কৰাৰ বাবে উদ্যম ল'বলৈ আহ্বান জনায়। তেওঁ ভোটগ্ৰহণ কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰসদৃশ কৰি তোলাৰ লগতে ২৬ এপ্ৰিলত প্ৰতিটো কেন্দ্ৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰাৰ আহ্বান জনায়। এই কৰ্মশালাত মৰিগাঁও জিলাসমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াৰ লগতে ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ কাৰ্যসূচীৰ জিলা নডেল বিষয়া ডাঃ জয়াপ্ৰভা বড়ো উপস্থিত থাকে।

000000000

অসমবাসীৰ হেঁপাহৰ ৰঙালী বিহুলৈ মাজত দুটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণৰ মনত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। প্ৰতিকূল সময়ৰ প্ৰত্যাহ্বান নেওচি অসমীয়াই বছৰি হেঁপাহৰ উৎসৱটি পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰি আহিছে। এইবাৰো চৌদিশে নিৰ্বাচনী ব্যস্ততাৰ মাজতো অসমবাসীৰ বিহুৰ উৎসাহ অটুট আছে। গুৱাহাটী মহানগৰীত বিহুৰ প্ৰস্তুতি অব্যাহত থকাৰ লগতে অসমীয়া নৱবৰ্ষৰ বাবে নতুন সাজ-পাৰ ক্ৰয় কৰি আপোনজনক উপহাৰ দিয়াৰ বাবে জনসাধাৰণে বজাৰসমূহত ভিৰ কৰা পৰিলক্ষিত হৈছে। ইপিনে, ভৌগালিক সূচাংক লাভ কৰা গামোচাৰ চাহিদা বৃদ্ধি হোৱাৰ বিপৰীতে প্ৰশাসনে বহিঃৰাজ্যত প্ৰস্তুত কৰা যন্ত্ৰচালিত শালত প্ৰস্তুত কৰা গামোচাৰ আমদানি ৰোধ কৰাৰ ব্যৱস্থা কৰিছে। আনহাতে, ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে।

000000000

চৰকাৰে ৰাষ্ট্ৰীয় সেউজ হাইড্ৰ'জেন অভিযানৰ অধীনত গৱেষণা আৰু উন্নয়ন প্ৰস্তাৱ দাখিলৰ সময়সীমা ২৭ এপ্ৰিললৈ বৃদ্ধি কৰিছে। ইয়াৰ পূৰ্বে এনে প্ৰস্তাৱ দাখিলৰ অন্তিম সময় ১২ এপ্ৰিল ধাৰ্য কৰা হৈছিল। ২০২৯-৩০ বিত্তীয় বৰ্ষ পৰ্যন্ত ১৯ হাজাৰ ৭৪৪ কোটি টকাৰ আৱণ্টনেৰে যোৱা বছৰ জানুৱাৰীত ৰাষ্ট্ৰীয় সেউজ হাইড্ৰ'জেন অভিযান আৰম্ভ কৰা হৈছিল। নতুন আৰু নবীকৰণ যোগ্য শক্তি মন্ত্ৰালয়ে কৈছে যে, বিভিন্ন পক্ষৰ পৰা লাভ কৰা অনুৰোধলৈ চাই প্ৰস্তাৱ দাখিলৰ সময়সীমা বৃদ্ধি কৰা হৈছে। গৱেষণা আৰু উন্নয়ন আঁচনিৰ জৰিয়তে সেউজ হাইড্ৰ'জেনৰ উৎপাদন, মজুতকৰণ, পৰিবহণ আৰু ব্যৱহাৰ অধিক বহনসাধ্য কৰি তুলিব বিচৰা হৈছে। সেউজ হাইড্ৰ'জেন মূল্য শৃংখলাৰ সৈতে জড়িত সংশ্লিষ্ট প্ৰক্ৰিয়া আৰু প্ৰযুক্তিসমূহ অধিক দক্ষ, নিৰাপদ আৰু নিৰ্ভৰযোগ্য কৰি তোলাই ইয়াৰ উদ্দেশ্যে।

000000000

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণ আৰু চৰাইদেউ জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত কাইলৈ দিনৰ ১০ বজাত চৰাইদেউ জিলাত অৱস্থিত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত চৌহদত এখন ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। সেই দিনা ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰাৰ ৩২৩, ৩৪১, ৩৪২, ৪৪৮, ৫০৬, ৩৫২ আদিৰ অন্তৰ্গত বিভিন্ন গোচৰৰ লগতে পাৰিবাৰিক কন্দলজনিত, দেৱানী, চেক বাউন্স, মটৰ দুৰ্ঘটনা আদি বিভিন্ন গোচৰ নিস্পত্তি কৰা হ'ব। চৰাইদেউ জিলা আইনসেৱা প্ৰাধীকাৰীৰ ফালৰ পৰা ইচ্ছুক ব্যক্তিসকলক নিষ্পত্তি কৰিব বিচৰা অমীমাংসিত গোচৰসমূহৰ বাবে যাৱতীয় নথি-পত্ৰ সহ কাইলৈ আদালতত নিজে উপস্থিত থাকিবলৈ জনোৱা হৈছে। অধিক তথ্যৰ বাবে চৰাইদেউ জিলা আইন সেৱা প্ৰাধীকাৰীৰ কাৰ্যালয়ত ৭৮৯৬১ ৩০৩১২ বা ৯৫৪৪ ১৫৭৬২ ফোনম্বৰত যোগাযোগ কৰিব পাৰিব।00000

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱানিশা চণ্ডীগড়ৰ মহাৰাজা যাদবেন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছক ২ ৰানত পৰাস্ত কৰে। পাঞ্জাব কিংছে ১৮৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৮০ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাৱৰ হৈ শশাংক সিঙে ২৫টা বলত ৪৬ ৰান কৰে। ইয়াৰ আগেয়ে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৮২ ৰান কৰে। হায়দৰাবাদৰ হৈ নিতীশ ৰেড্ডীয়ে ৩৭টা বলত ৬৪ ৰান কৰে। পাঞ্জাবৰ অৰ্শদীপ সিঙে ৪টা উইকেট লাভ কৰে। নিতীশ ৰেড্ডীক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ooooooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে বিভিন্ন গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। লখিমপুৰত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ বিশাল নিৰ্বাচনী সভাৰ বাতৰিটো **দৈনিক অসম**ৰ লগতে **আমাৰ অসম, দৈনিক জনমভূমি, দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অমিত শ্বাহে লখিমপুৰত বৃহৎ নিৰ্বাচনী সভাৰ পাছত সন্ধিয়া তিনিচুকীয়াত ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। এই ৰোড শ্ব'ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে।

আনহাতে, নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। তৃতীয় পৰ্যায়ৰ বৰপেটা লোকসভা সমষ্টিৰ প্ৰাৰ্থী অগপৰ ফণীভূষণ চৌধুৰীৰ সমৰ্থনত প্ৰচাৰ চলাবলৈ আহিব প্ৰধানমন্ত্ৰীগৰাকী। ইফালে, ১৭ এপ্ৰিলত যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈ আৰু ডিব্ৰুগড়ত অজাপৰ সভাপতি তথা কংগ্ৰেছ সমৰ্থিত প্ৰাৰ্থী লুৰিনজ্যোতি গগৈৰ হৈ প্ৰচাৰত নামিব ৰাহুল গান্ধী। **অসমীয়া প্ৰতিদিন** আৰু **অসমীয়া খবৰ** কাকতে এই ভ্ৰমণসূচী প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

গ্ৰেপ্তাৰ বৈধ, কেজৰিৱালৰ আবেদন খাৰিজ শিৰোনামেৰে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ আবেদন দিল্লী উচ্চ ন্যায়ালয়ে খাৰিজ কৰাৰ বাতৰি **দ্যা চেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। এই নিৰ্দেশৰ ফলত অহা ১৪ এপ্ৰিল পৰ্যন্ত কেজৰিৱাল তিহাৰ কাৰাগাৰতে বন্দীদশা কটোৱা অবধাৰিত হৈ পৰিল।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - পৰেশ বৰুৱাৰ জ্যেষ্ঠ ভাতৃ বিমল বৰুৱা অগপলৈ, ৰাজ্যজুৰি সক্ৰিয় নিৰ্বাচন আয়োগৰ ফ্লায়িং স্কোৱাড, উদ্বেগজনকভাৱে হ্ৰাস বিদ্যুৎ উৎপাদন, মঙলবাৰে নহ'ল কা গোচৰৰ শুনানি, জি আই টেগ লাভ কৰিও প্ৰত্যাহ্বানৰ মুখত অসমৰ গামোচা, প্ৰাৰ্থীৰ সকলো সম্পত্তিৰ বিষয়ে জনাৰ পূৰ্ণ অধিকাৰ নাই ভোটাৰৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

ooooooooo

**সমাপ্ত**